# ফৰ্ম 15জি আৰু 15এইচ

টাইম ডিপজিটত পৰিশোধ / ক্ৰেডিট কৰা সুদ বলৰৎ হৈ ৰোৱা প্ৰযোজ্য হাৰত আয়কৰ অধিনিয়ম, 1961-ৰ উপবন্ধৰ অন্তৰ্গত উৎসতে কৰ কৰ্তন (টিডিএচ)-ৰ অধীন হ'ব।

কিন্তু, এনে টিডিএচ নিম্নোক্ত ক্ষেত্ৰত প্ৰযোজ্য নহয় ঃ

1. যিক্ষেত্ৰত এটা শাখাৰ দ্বাৰা ভাৰতীয় নিবাসী এজন ব্যক্তিক (জেষ্ঠ্য নাগৰিক বাদ দি) এটা বিত্তীয় বছৰ (1 এপ্ৰিলৰ পৰা লৈ 31 মাৰ্চ)-ৰ ভিতৰত পৰিশোধ / ক্ৰেডিট কৰাৰ সম্ভাৱনা থকা সৰ্বমুঠ সুদ ₹40,000 (1 এপ্ৰিল 2019-ৰ আগতে, ₹10,000)-তকৈ বেছি নহয়। নিবাসী জেষ্ঠ্য নাগৰিকৰ ক্ষেত্ৰত, এটা বিত্তীয় বচৰৰ ভিতৰত এই সীমা হ'ল ₹50,000।

2. এনে কোনো ব্যক্তিৰ ক্ষেত্ৰত (কোম্পানী বা ফাৰ্ম বাদ দি) [ধাৰা 197এ(1এ) নিয়ম 29চি-ৰ সৈতে পঢ়িব]ঃ
   ক) যি হ'ল ভাৰতীয় নিবাসী, আৰু
   খ) যাৰ সংশ্লিষ্ট বিত্তীয় বছৰ (1 এপ্ৰিলৰ পৰা লৈ 31 মাৰ্চ)-ৰ বাবে আনুমানিক মুঠ আয়ৰ ওপৰত বছৰেকীয়া মুঠ আয়কৰৰ দায়িত্ব হ'ল শূন্য (অনুগ্ৰহ কৰি মন কৰিব যে মুঠ আয়কৰৰ দায়িত্বৰ হিচাপ কৰা উচিত যিকোনো টিডিএচ-ৰ কথা আওকাণ কৰি), আৰু
   গ) সংশ্লিষ্ট বিত্তীয় বছৰৰ ভিতৰত টাৰ্ম ডিপজিটত প্ৰদেয় / পুঞ্জীভত হ'বলগীয়া সৰ্বমুঠ সুদ এনে ব্যক্তিৰ ক্ষেত্ৰত আয়কৰত ধাৰ্য কৰিব নলগীয়া সৰ্বাধিক পৰিমাণতকৈ বেছি হ'ব নোৱাৰিব, আৰু
   ঘ) যি প্ৰত্যেক বিত্তীয় বছৰৰ বাবে যথোচিতভাৱে আগতীয়াকৈ নিৰ্ধাৰিত ফৰ্ম নং 15জি-ত (ডুপ্লিকেটত) যথাবিহিত সম্পূৰ্ণ ঘোষণাপত্ৰ শাখাটোত দাখিল কৰিব।

অনুগ্ৰহ কৰি মন কৰিব যে ফৰ্ম 15জি প্ৰত্যেক বিত্তীয় বছৰৰ বাবে দাখিল কৰিব লাগিব আৰু ফৰ্ম নং 15জি দাখিল কৰাৰ ক্ষেত্ৰত পলম / গাফিলতি হোৱাৰ ফলস্বৰূপে এনে দাখিলকৰণৰ তাৰিখত বা তাৰ আগতে (শাখাত) দিবলগীয়া টিডিএচ-ৰ বাবে পৰিশোধ / ক্ৰেডিট কৰা সুদত বেঙ্কৰ দ্বাৰা টিডিএচ কৰ্তন পৰা হ'ব। এনে টিডিএচ ঘূৰাই পোৱাৰ বাবে যিকোনো দাবী পোনপটীয়াকৈ আয়কৰ বিভাগৰ পৰা প্ৰাপ্ত কৰিব লাগিব, বেঙ্কৰ পৰা নহয়।

3. এনে ব্যক্তিৰ ক্ষেত্ৰত  [ধাৰা 197এ(1চি) নিয়ম 29চি-ৰ সৈতে পঢ়িব]ঃ
   ক) যি হ'ল ভাৰতীয় নিবাসী, আৰু
   খ) যাৰ বয়স সংশ্লিষ্ট বিত্তীয় বছৰৰ ভিতৰত যিকোনো সময়তে 60 বছৰ বা ততোধিক (1 এপ্ৰিলৰ পৰা লৈ 31 মাৰ্চ), আৰু
   গ) যাৰ সংশ্লিষ্ট বিত্তীয় বছৰৰ বাবে তেওঁৰ আনুমানিক মুঠ আয়ৰ ওপৰত বছৰেকীয়া মুঠ আয়কৰৰ দায়িত্ব হ'ল শূন্য (অনুগ্ৰহ কৰি মন কৰিব যে মুঠ আয়কৰৰ দায়িত্বৰ হিচাপ কৰা উচিত যিকোনো টিডিএচ-ৰ কথা আওকাণ কৰি), আৰু
   ঘ) সংশ্লিষ্ট বিত্তীয় বছৰৰ ভিতৰত টাৰ্ম ডিপজিটত প্ৰদেয় / পুঞ্জীভত হ'বলগীয়া সৰ্বমুঠ সুদ এনে ব্যক্তিৰ ক্ষেত্ৰত আয়কৰত ধাৰ্য কৰিব নলগীয়া সৰ্বাধিক পৰিমাণতকৈ বেছি হ'ব নোৱাৰিব, আৰু
   ঙ) যি প্ৰত্যেক বিত্তীয় বছৰৰ বাবে যথোচিতভাৱে আগতীয়াকৈ নিৰ্ধাৰিত ফৰ্ম নং 15এইচ-ত (ডুপ্লিকেটত) যথাবিহিত সম্পূৰ্ণ ঘোষণাপত্ৰ শাখাটোত দাখিল কৰিব।

অনুগ্ৰহ কৰি মন কৰিব যে ফৰ্ম 15এইচ প্ৰত্যেক বিত্তীয় বছৰৰ বাবে দাখিল কৰিব লাগিব। লগতে অনুগ্ৰহ কৰি ইয়াকো মন কৰিব যে ফৰ্ম নং 15এইচ দাখিল কৰাৰ ক্ষেত্ৰত পলম / গাফিলতি হোৱাৰ ফলস্বৰূপে এনে দাখিলকৰণৰ তাৰিখত বা তাৰ আগতে (শাখাত) দিবলগীয়া টিডিএচ-ৰ বাবে পৰিশোধ / ক্ৰেডিট কৰা সুদত বেঙ্কৰ দ্বাৰা টিডিএচ কৰ্তন পৰা হ'ব। এনে টিডিএচ ঘূৰাই পোৱাৰ বাবে যিকোনো দাবী পোনপটীয়াকৈ আয়কৰ বিভাগৰ পৰা প্ৰাপ্ত কৰিব লাগিব, বেঙ্কৰ পৰা নহয়।

INTERNAL

Issued by The Hongkong and Shanghai Banking Corporation Limited, India. Incorporated in Hong Kong SAR with limited liability.